# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 23-07-2025
**Time :** 18-45 Hrs

***Assamese EVENING Bulletin***

**::::::::::::::::::::::::::::::**

১। শিক্ষাখণ্ডৰ উন্নয়নৰ বাবে বিশ্ববেংকৰ পৰা দুহেজাৰ ৭৫০ কোটি টকা ঋণ ল'বলৈ ৰাজ্যিক মন্ত্ৰীসভাৰ সিদ্ধান্ত।

২। দেশজুৰি ৰাষ্ট্ৰীয় সম্প্ৰচাৰ দিৱস পালন। শ্বিলঙত মূল কাৰ্যসূচী।

৩। পুষ্টিবৰ্ধক চাউলক প্লাষ্টিক চাউল বুলি চলোৱা অপপ্ৰচাৰ ৰোধ কৰিবলৈ গুৱাহাটীত সংবাদ মাধ্যমৰ বাবে কৰ্মশালা।

৪। বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ ড০ বসন্ত কুমাৰ ভট্টাচাৰ্যৰ শেষকৃত্য ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন। ***আৰু***

৫। ভাৰত আৰু ইংলেণ্ডৰ মাজৰ চলিত ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন টেষ্ট মেচ অ'ল্ড ট্ৰেফ'ৰ্ডত আৰম্ভ।

০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত আজি ডিব্ৰুগড়ত অনুষ্ঠিত ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকৰ অন্তত মুখ্যমন্ত্ৰীগৰাকীয়ে জনোৱা অনুসৰি অসম আৰক্ষীৰ নতুন থানা, বেৰেক, চাইবাৰ থানা নিৰ্মাণৰ বাবে গঠন কৰা মিছন মৈত্ৰী নামৰ ছ'চাইটীক ডেৰশ কোটি টকা দিবলৈ অনুমোদন জনোৱা হয়। অহা ১২ আগষ্টত ১০ খন সমজিলাৰ কাম আৰম্ভ হোৱাৰ প্ৰতি লক্ষ্য ৰাখি আৰক্ষী অধীক্ষকৰ ১০টা পদ সৃষ্টিতো মন্ত্ৰীসভাই অনুমোদন জনায়।

**বাইট-১ (চি এম)**

শিক্ষাখণ্ডৰ উন্নয়নৰ বাবে বিশ্ববেংকৰ পৰা দুহেজাৰ ৭৫০ কোটি টকা ঋণ ল'বলৈয়ো আজিৰ মন্ত্ৰীসভাত সিদ্ধান্ত লোৱা হয় বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। ঋণৰ ৯০ শতাংশ ধন কেন্দ্ৰীয় চৰকাৰে ওভতাই দিব বুলিও মুখ্যমন্ত্ৰী ড০ শৰ্মাই জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে এই ঋণৰ এটা অংশৰে শিক্ষকসকলক বিজ্ঞান আৰু অংকৰ প্ৰশিক্ষণ প্ৰদান কৰাৰ লগতে প্ৰধান শিক্ষকক ব্যৱস্থাপনা সন্দৰ্ভত প্ৰশিক্ষণ দিয়া হ'ব।

**বাইট-২ (চি এম)**

জাপানৰ তিনিটা কোম্পানীয়ে অসমীয়া ছাত্ৰ-ছাত্ৰীক জাপানী ভাষা শিকাব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে সংবাদমেলত জানিবলৈ দিয়ে। তেওঁ কয়, যে চৰকাৰে শিক্ষাৰ্থীসকলক ডেৰ লাখ টকাকৈ আগবঢ়াব। প্ৰথম পৰ্যায়ত ৩ হাজাৰ শিক্ষাৰ্থীক এই প্ৰশিক্ষণ প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

ইয়াৰ আগেয়ে মুখ্যমন্ত্ৰীগৰাকীয়ে ডিব্ৰুগড় সচিবালয়ত অনুষ্ঠিত এখন বৈঠকত সোণাৰি বিধানসভা সমষ্টিৰ বিভিন্ন কল্যাণমূলক আঁচনি আৰু কামৰ পৰ্যালোচনা চলায়। বৈঠকত ড০ শৰ্মাই সকলো কাম স্বচ্ছতাৰে

সম্পাদন কৰি সমষ্টিটোৰ সামগ্ৰিক বিকাশ নিশ্চিত কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীগৰাকীয়ে বৈঠকত ৮০০ খন আসনযুক্ত আধুনিক প্ৰেক্ষাগৃহ নিৰ্মাণ, ভাৰতীয় খাদ্য নিগমৰ গুদাম ঘৰ স্থাপন আৰু সোণাৰি নগৰাঞ্চলৰ পথ উন্নীতকৰণ কৰা হ'ব বুলি ঘোষণা কৰে। চাৰিদিনীয়া ভ্ৰমণসূচীৰে ডিব্ৰুগড়লৈ যোৱা মুখ্যমন্ত্ৰী ড০ শৰ্মাই কাইলৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ত ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান আৰু মুখ্যমন্ত্ৰীৰ বিশেষ পুঁজিৰ অধীনত ১৪৭ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰিবলগীয়া কেইবাটাও আন্তঃগাঁথনি উন্নয়ন কামৰ আধাৰশিলা স্থাপন কৰিব। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ডিব্ৰুগড় বিশ্ববিদ্যালয়ত কাইলৈৰ অনুষ্ঠানৰ প্ৰস্তুতিৰ বুজ লয়।

০০০০

১৯২৭ চনৰ ২৩ জুলাইত ভাৰতীয় সম্প্ৰচাৰ কোম্পানীৰ অধীনত বোম্বে ষ্টেছনৰ পৰা দেশত প্ৰথমবাৰৰ বাবে অনাতাঁৰ সম্প্ৰচাৰ আৰম্ভ কৰাৰ স্মৃতিত আজি সমগ্ৰ দেশতে ৰাষ্ট্ৰীয় সম্প্ৰচাৰ দিৱস পালন কৰা হৈছে। ১৯৩৬ চনৰ ৮ জুনত ইণ্ডিয়ান ষ্টেট ব্ৰডকাষ্টিং চাৰ্ভিছেছৰ নাম অল ইণ্ডিয়া ৰেডিঅ' আৰু পাছলৈ আকাশবাণী ৰখা হয়। এই দিৱস উপলক্ষে দিয়া এটা বাৰ্তাত প্ৰসাৰ ভাৰতীৰ অধ্যক্ষ নৱনীত কুমাৰ ছেহগালে কয়, যে সুদীৰ্ঘ বছৰ ধৰি শিক্ষা, তথ্য আৰু মনোৰঞ্জনৰ ক্ষেত্ৰত আকাশবাণীয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। প্ৰসাৰ ভাৰতীৰ মুখ্য কাৰ্যবাহী বিষয়া গৌৰৱ দ্বিবেদিয়ে কয় যে ৯০ বছৰীয়া ৰাষ্ট্ৰীয় ঐতিহ্য হিচাপে আকাশবাণী এতিয়াও শক্তিশালী ৰূপত আগবাঢ়ি আছে।

ৰাষ্ট্ৰীয় সম্প্ৰচাৰ দিৱসৰ মূল কাৰ্যসূচী আজি শ্বিলঙত পালন কৰা হৈছে। আজি শ্বিলঙত আয়োজিত এখন সংগীতানুষ্ঠানত আকাশবাণীৰ সঞ্চালক প্ৰধান ড° প্ৰজ্ঞা পালিৱাল গৌড়ে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত মেঘালয় চৰকাৰৰ আয়ুক্ত সচিব ড° বি দি আৰ তিৱাৰী আৰু আকাশবাণী উত্তৰ পূৰ্বাঞ্চলৰ দায়িত্বত থকা অতিৰিক্ত সঞ্চালক প্ৰধান আশিষ ভাটনাগৰকে ধৰি ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। এই সংগীতানুষ্ঠানত আকাশবাণীৰ গুৱাহাটী, শ্বিলং, আগৰতলা, আইজল, ইম্ফল, কহিমা, ইটানগৰ, আৰু গেংটক কেন্দ্ৰৰ অনুমোদিত সংগীত শিল্পীসকলে পৰিৱেশন কৰা সংগীতানুষ্ঠানে সকলোকে আপ্লুত কৰে।

৫ দিনীয়া ভ্ৰমণসূচীৰে উত্তৰ পূৰ্বাঞ্চললৈ অহা আকাশবাণীৰ সঞ্চালক প্ৰধান ড০ প্ৰজ্ঞা পালিৱাল গৌড়ে কাইলৈ শ্বিলঙত মেঘালয়ৰ আকাশবাণী কেন্দ্ৰসমূহৰ কাম-কাজ পৰ্যালোচনা কৰিব। পৰহিলৈ সঞ্চালক প্ৰধানগৰাকী গুৱাহাটীলৈ আহিব আৰু ২৬ জুলাইত তেওঁ গুৱাহাটীত অসমৰ আকাশবাণী কেন্দ্ৰসমূহৰ কাম-কাজৰ পৰ্যালোচনা কৰিব।

০০০০

ৰাজ্যৰ কেইবাখনো জিলাত আজি ৰাষ্ট্ৰীয় সম্প্ৰচাৰ দিৱস উদ্‌যাপন কৰা হয়। আকাশবাণী নগাওঁ কেন্দ্ৰই জাজৰিৰ ঘনস্মৃতি প্ৰাথমিক বিদ্যালয়ত এই অনুষ্ঠানটো উদ্‌যাপন কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত বিদ্যালয়খনৰ প্ৰধান শিক্ষক প্ৰবীন চন্দ্ৰ বৰদলৈ আৰু আকাশবাণী নগাওঁ কেন্দ্ৰৰ মুৰব্বী নিশাৰাণী বৰুৱাৰ লগতে কেন্দ্ৰটোৰ কেইবাগৰাকীও বিষয়া-কৰ্মী আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। এই অনুষ্ঠানৰ অংশ হিচাপে দিনৰ এঘাৰ বজাৰ পৰা অনুষ্ঠিত ভিন্নসুৰী অনুষ্ঠানত দক্ষিণ জাজৰি অঞ্চলৰ মহিলা আৰু শিশুসকলে দিহা নাম, বিয়া নাম, কবিতা আবৃত্তি আদি পৰিৱেশন কৰে।

০০০০

ৰাজহুৱা বিতৰণ ব্যৱস্থা আৰু মধ্যাহ্ন ভোজন আঁচনিৰ অধীনত যোগান ধৰা পুষ্টিবৰ্ধক চাউল সম্পৰ্কত সংবাদ মাধ্যমক অধিক সচেতন কৰাৰ উদ্দেশ্যে আজি গুৱাহাটীত এখন কৰ্মশালা অনুষ্ঠিত হয়। ৰাষ্ট্ৰসংঘৰ খাদ্য

আঁচনি, অসম চৰকাৰৰ খাদ্য আৰু অসামৰিক যোগান বিভাগ আৰু ব্ৰহ্মপুত্ৰ সামাজিক গৱেষণা সংস্থাৰ উদ্যোগত আয়োজিত এই কৰ্মশালাত সমল ব্যক্তিসকলে ফৰ্টিফাইড অৰ্থাৎ পুষ্টিবৰ্ধক চাউলক প্লাষ্টিক চাউল বুলি চলা অপপ্ৰচাৰকে ধৰি বিভিন্ন বিষয় সন্দৰ্ভত সংবাদ মাধ্যমৰ প্ৰতিনিধিসকলক অৱগত কৰায়। কৰ্মশালাত ৰাষ্ট্ৰসংঘৰ খাদ্য কাৰ্যসূচীৰ জ্যেষ্ঠ কাৰ্যসূচী বিষয়া গীতাশ্ৰী ফুকন, অসম ডাউন টাউন বিশ্ববিদ্যালয়ৰ বিদ্যাগুৰু ডং মানস প্ৰতীম শৰ্মা, ৰাষ্ট্ৰসংঘৰ নতুন দিল্লীস্থিত পৰিপুষ্টি আৰু বিদ্যালয় আহাৰ যোগান আঁচনিৰ মুৰববী ডং চাৰিকা ইউনুছ আৰু খাদ্য আৰু যোগান বিভাগৰ পৰিদৰ্শক মিলি দাসে অংশগ্ৰহণ কৰে। উত্তৰ-পূৰ্ব পাৰ্বত্য বিশ্ববিদ্যালয়ৰ ইংৰাজী আৰু বিদেশী ভাষা বিভাগৰ অধ্যাপক ডং অলংকাৰ কৌশিকে আঁত ধৰা এই কৰ্মশালাত গুৱাহাটীৰ বিভিন্ন সংবাদমাধ্যমৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। আজিৰ কৰ্মশালাৰ উদ্দেশ্য সম্পৰ্কত ব্ৰহ্মপুত্ৰ সামাজিক গৱেষণা সংস্থাৰ জ্যেষ্ঠ সদস্য ভাস্কৰজ্যোতি ভূঞাই ব্যাখ্যা আগবঢ়ায়।

**বাইট**

০০০০

বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ ড০ বসন্ত কুমাৰ ভট্টাচাৰ্যৰ শেষকৃত্য আজি ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰা হয়। শেষকৃত্যৰ পূৰ্বে সাহিত্যিকগৰাকীক নলবাৰীৰ ছহিদ বাকৰিত ৰাজহুৱাভাৱে শ্ৰদ্ধাঞ্জলি জনোৱা হৈছে। উল্লেখযোগ্য যে অসম সাহিত্য সভাই সাহিত্যাচাৰ্য সন্মানেৰে সন্মানিত কৰা সাহিত্যিকগৰাকীৰ আজি ৮৩ বছৰ বয়সত দেহাৱসান ঘটে। যোৱা দুবছৰ ধৰি শাৰীৰিকভাৱে অসুস্থ হৈ থকাৰ অন্তত নলবাৰীৰ নিজা বাসগৃহত তেওঁৰ মৃত্যু হয়। নলবাৰী জিলা সাহিত্য সভাই নলবাৰী ৰত্ন সন্মান আগবঢ়োৱা ড০ ভট্টাচাৰ্যৰ মৃত্যুত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, মন্ত্ৰী অতুল বৰাৰ লগতে বহু দল-সংগঠন আৰু অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰে।

০০০০

গুৱাহাটী ৰে'ল ষ্টেছনটো দেশৰ প্ৰথম প্লাষ্টিকমুক্ত ৰে'ল ষ্টেছন হিচাপে গঢ়ি তোলাৰ বাবে আলোচনা কৰাৰ উদ্দেশ্যে আজি এখন বৈঠক অনুষ্ঠিত হয়। উত্তৰ-পূৰ সীমান্ত ৰে'লৰে অসম ৰাজ্যিক প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ বিষয়াবৰ্গ আৰু ৰঙিয়াৰ পৰিষদৰ অনুমোদিত পুনৰ ব্যৱহাৰযোগ্যকৰণ সংস্থাৰ প্ৰতিনিধিবৰ্গৰ উপস্থিতিত এই বৈঠক অনুষ্ঠিত হয়। বৈঠককখনত ৰে'ল ষ্টেছন আৰু ইয়াৰ পৰিসৰৰ পৰা সংগ্ৰহ কৰা প্লাষ্টিক আৱৰ্জনা উপযুক্তভাৱে পৃথকীকৰণ, টুকুৰা-টুকুৰ কৰা, পৰিষ্কাৰকৈ ধোৱা আৰু পুনৰ ব্যৱহাৰৰ কৌশলসমূহৰ বিষয়ে আলোচনা কৰা হয়। বৈঠকত বৰ্তমানৰ প্লাষ্টিক আৱৰ্জনা নিস্কাষণ পদ্ধতিৰ পৰ্যালোচনা, এবাৰ  ব্যৱহাৰযোগ্য প্লাষ্টিকৰ প্ৰচলন হ্ৰাস কৰাৰ লগতে প্লাষ্টিক প্ৰদূষণ ৰোধ কৰাৰ বাবে কৰ্মপন্থা অৱলম্বনৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। উল্লেখযোগ্য যে উত্তৰ-পূৰ ৰে'লৰে গুৱাহাটী ৰে'ল ষ্টেছনক এশ শতাংশই প্লাষ্টিক আৱৰ্জনা মুক্ত আৰু প্লাষ্টিক পুনৰ ব্যৱহাৰযোগ্য ষ্টেছনৰূপে গঢ়ি তুলিবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিছে।

০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজিত গাই নদীৰ বানে যোৱা ১৯ জুলাইত খহাই নিয়া ধেমাজি-আমগুৰি-বগীবিল পথত লেছীয়াঘাট দলঙ পৰিদৰ্শন কৰে। ডাঃ পেগুৱে পৰিস্থিতিৰ বুজ লয় আৰু দলংখনেৰে যাতায়াত অব্যাহত ৰখাৰ বাবে শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰিবলৈ জলসম্পদ আৰু লোকনিৰ্মাণ বিভাগক নিৰ্দেশ দিয়ে।

০০০০

কামৰূপ আৰক্ষীয়ে আজি বকোত অভিযান চলাই প্ৰায় এক কোটি টকা মূল্যৰ হেৰ’ইন জব্দ কৰে। গুৱাহাটীৰ পৰা মানকাচৰ অভিমুখী এখন বাহনৰ পৰা ড্ৰাগছখিনি জব্দ কৰা হয়। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে চাৰিজন ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। কামৰূপ জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক কল্যাণ পাঠকৰ নেতৃত্বত চলা অভিযান ড্ৰাগছখিনি জব্দ কৰা হয়।

০০০০

গোলাঘাট জিলাৰ সৰুপথাৰৰ উৰিয়ামঘাটৰ পিঠাঘাটত আজি আৰক্ষীয়ে চলোৱা অভিযানত বুজন পৰিমাণৰ মাদক দ্ৰব্য জব্দ কৰা হয়। আৰক্ষীয়ে এজন লোকৰ বাসগৃহৰ পৰা হেৰ’ইন জব্দ কৰাৰ লগতে লোকজনক গ্ৰেপ্তাৰ কৰে।

০০০০

বৰপেটা জিলা আয়ুক্ত ৰোহন কুমাৰ ঝাই আজি জিলাখনৰ কেইবাখনো সুলভ মূল্যৰ দোকানত উপস্থিত হৈ নথি-পত্ৰ পৰীক্ষা কৰে। জিলা আয়ুক্তগৰাকীয়ে এজেণ্ট আৰু গ্ৰাহকৰ লগতো মত বিনিময় কৰে। জিলাখনৰ সুলভ মূল্যৰ দোকানৰ একাংশ এজেণ্টে বিভিন্ন ধৰণে অনিয়ম সংঘটিত কৰাৰ অভিযোগ উঠাৰ পাছতে জিলা আয়ুক্তগৰাকীয়ে আজি নিজেই দোকানসমূহলৈ গৈ সকলো দিশ পৰ্যবেক্ষণ কৰে। জিলা আয়ুক্তগৰাকীয়ে এজেণ্টসকলক নিয়ম উলংঘা নকৰিবলৈ সতৰ্ক কৰি দিয়ে।

০০০০

কেন্দ্ৰীয় চৰকাৰৰ সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰ্যালয়ৰ নিচামুক্ত ভাৰত অভিযানৰ অধীনত শ্ৰীভূমি জিলাত আজি সজাগতা  সমদল উলিওৱা হয়। শ্ৰীভূমিৰ মহিলা আৰু শিশু উন্নয়ন বিভাগৰ উদ্যোগত আৰু জিলা প্ৰশাসনৰ সহযোগত আয়োজন কৰা এই সমদলত বহুলোকে অংশগ্ৰহণ কৰে। নিচাজাতীয় সামগ্ৰীৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ বাবে এখন প্ৰচাৰ বাহনো আজি মুকলি কৰা হয়। শ্ৰীভূমিৰ জিলা আয়ুক্ত প্ৰদীপ কুমাৰ দ্বিৱেদীয়ে প্ৰচাৰ বাহনখন মুকলি কৰে।

০০০০

শিৱসাগৰ জিলাত বিধানসভা সমষ্টিভিত্তিত অনুষ্ঠিত ১৫ দিনীয়া গ্ৰীষ্মকালীন কৰ্মশালাৰ আজি সামৰণি পৰে। সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু শিৱসাগৰ জিলা প্ৰশাসন, শিৱসাগৰ পৌৰসভাৰ সহযোগত অনুষ্ঠিত এই কৰ্মশালাত যোগাসন, বাঁহী বাদন, কলা আৰু ভাস্কৰ্য বিষয়ত প্ৰশিক্ষণ প্ৰদান কৰা হয়। কৰ্মশালাখনত কমেও ৪৫ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। যোৰহাট জিলাৰ টীয়কত কৃষ্টিৰ কঠিয়া গোষ্ঠীৰ উদ্যোগত অনুষ্ঠিত গ্ৰীষ্মকালীন কৰ্মশালাৰো আজি সামৰণি পৰে। এই কৰ্মশালাত কমেও ৪০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে ভূপেন হাজৰিকাৰ সংগীতৰ প্ৰশিক্ষণ গ্ৰহণ কৰে। কাকজান মহাবিদ্যালয়ত অনুষ্ঠিত সামৰণি অনুষ্ঠানত বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০

ৰাজ্যৰ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ আয়ুক্ত তথা সচিব কবিতা পদ্মনাভনে আজি কাছাৰ জিলাৰ শিলচৰত উপস্থিত হৈ নগৰখনৰ আন্তঃগাঁথনি, খোৱাপানীৰ ব্যৱস্থা আৰু স্বচ্ছতা সন্দৰ্ভত পৰ্যালোচনা কৰে। শিলচৰ নগৰৰ বিভিন্ন গুৰুত্বপূৰ্ণ স্থান পৰিদৰ্শন কৰাৰ পাছত সচিবগৰাকীয়ে পৰিষ্কাৰ-পৰিচ্ছন্নতা, আৱৰ্জনা ব্যৱস্থাপনা আৰু জনসেৱা প্ৰদানৰ ক্ষেত্ৰত থকা সীমাৱদ্ধতাসমূহ চিনাক্ত কৰি শীঘ্ৰেই সমাধানৰ নিৰ্দেশ দিয়ে। সচিবগৰাকীয়ে শিলচৰ পৌৰ নিগমৰ অধীনৰ ব্যস্ত বজাৰ এলেকা, ৰাজপথ, ডাম্পিং গ্ৰাউণ্ড আৰু নগৰৰ

সীমান্ত অঞ্চল পৰিদৰ্শন কৰে। লগতে তেওঁ লংগাইখাল, সোণাই ৰোডৰ বানপীড়িত অঞ্চলো পৰিদৰ্শন কৰে। এই ভ্ৰমনৰ অন্তত তেওঁ আৱৰ্জনা নিষ্কাষণ আৰু নাগৰিক সেৱাৰ উন্নতিৰ বিষয়সমূহৰ সন্দৰ্ভত অনুষ্ঠিত এখন বৈঠকত অংশগ্ৰহণ কৰে।

০০০০

কাছাৰ জিলাৰ গুমৰাৰ সমীপৰ এখন নৈত আজি সৌভিক সৰকাৰ নামৰ এজন যুৱকৰ মৃতদেহ উদ্ধাৰ কৰা হয়। আৰক্ষীয়ে সৰকাৰৰ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে শিলচৰ চিকিৎসা মহাবিদ্যালয়ত প্ৰেৰণ কৰে। যোৱা ২০ জুলাইত কাছাৰৰ কালাইন সিন্দুৰাৰ বনভোজস্থলীত গা ধুবলৈ গৈ সৰকাৰ সন্ধানহীন হৈছিল। আজি বনভোজস্থলীৰ পৰা ৪ কিলোমিটাৰ দূৰৈৰ গুমৰাৰ পৰা সৰকাৰৰ মৃতদেহ উদ্ধাৰ কৰা হয়।

০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ চলিত ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন টেষ্ট মেচ আজিৰ পৰা অ'ল্ড ট্ৰেফ'ৰ্ডত অনুষ্ঠিত হৈছে। টেষ্টখনত প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰা ভ্ৰমণকাৰী ভাৰতীয় দলটোৱে বাতৰি যুগুতোৱাৰ পৰলৈ এটা উইকেট হেৰুৱাই প্ৰথম ইনিংছত ১০১ ৰান সংগ্ৰহ কৰিছে। কে এল ৰাহুল ৪৬ ৰান কৰি আউট হোৱাৰ পাছত য়শস্বী জয়ছোৱালে ৫০ আৰু ছাই সুদৰ্শন ২ ৰান কৰি খেলি আছে। প্ৰথম উইকেটৰ যুটীত কে এল ৰাহুল আৰু জয়ছোৱালে ৯৪ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ আজি বেগী বলাৰ অংশুল কমবোজৰ টেষ্ট অভিষেক ঘটিছে। আনহাতে কৰুণ নায়াৰৰ স্থানত বেটাৰ ছাই সুদৰ্শন মূল একাদশত অন্তৰ্ভুক্ত হৈছে।

০০০০

মাজুলী জিলা যোগী সন্মিলনী, মহিলা সন্মিলনী আৰু নাথ-যোগী যুৱ পৰিষদে আজি সোণাৰিআটী নামঘৰত কৃতি ছাত্ৰ-ছাত্ৰীক বিশেষভাৱে অভিনন্দন আৰু সম্বৰ্ধনা জ্ঞাপন কৰে। ২০২৫ বৰ্ষত হাইস্কুল শিক্ষান্ত, উচ্চতৰ মাধ্যমিক, স্নাতক আৰু স্নাতকোত্তৰ চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন আৰু সম্বৰ্ধনা জনোৱা হয়।

০০০০

**ঃঃ সমাপ্ত ঃঃ**